**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 16-07-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::**

১। ভাৰত আৰু বেলজিয়ামে বিভিন্ন ক্ষেত্ৰত সহযোগিতা শক্তিশালী কৰাৰ বাবে সন্মতি প্ৰকাশ কৰিছে।

২। ভাৰত-ইউৰোপীয় সংঘৰ মুক্ত বাণিজ্য চুক্তিক, সংঘৰ বাণিজ্য আৰু প্ৰযুক্তি পৰিষদৰ বৈঠকে আগবঢ়াই নিব বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে প্ৰকাশ কৰিছে।

৩। হাৰিয়ানাৰ জিন্দ ৰে'লৰে ষ্টেচনত কাইলৈ দেশৰ প্ৰথমখন হাইড্ৰ'জেন ৰে'লৰ যাত্ৰাৰ শুভাৰম্ভ কৰা হ'ব।

৪। ওড়িশাৰ পুৰীত প্ৰভু জগন্নাথৰ ৰথযাত্ৰাৰ আজি শুভাৰম্ভ কৰা হ'ব। *আৰু*

৫। আৰ্জেণ্টিনাই ফিফা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমি ফাইনেলত ইংলেণ্ডক পৰাস্ত কৰি ফাইনেলত উপনীত হৈছে।

০০০০০

ভাৰত আৰু বেলজিয়ামে বাণিজ্য আৰু বিনিয়োগ, সেউজ শক্তি ৰূপান্তৰ, উদ্ভাৱন আৰু প্ৰযুক্তি, যোগাযোগ, প্ৰতিৰক্ষা, নিৰাপত্তা, আঞ্চলিক আৰু গোলকীয় বিষয়ৰ লগতে দুয়ো দেশৰ জনসাধাৰণৰ মাজত বিনিময়কে ধৰি বিভিন্ন ক্ষেত্ৰত সহযোগিতা শক্তিশালী কৰাৰ বাবে সন্মতি প্ৰকাশ কৰিছে। ভাৰত আৰু বেলজিয়ামৰ কৌশলগত আলোচনা প্ৰক্ৰিয়া কালি ব্ৰাচেলছত অনুষ্ঠিত প্ৰশাসন বৈঠকত অধিক গাঁথনিগত আৰু সৰ্বাত্মক অংশীদাৰিত্ব মাধ্যমেৰে দ্বিপাক্ষিক সম্পৰ্কৰ সবলীকৰণত গুৰুত্ব আৰোপ কৰা হয়। এই আলোচনাৰ উদ্বোধনী সত্ৰত বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰ আৰু বেলজিয়ামৰ উপ-প্ৰধানমন্ত্ৰী তথা বৈদেশিক পৰিক্ৰমা, ইউৰোপীয় পৰিক্ৰমা আৰু উন্নয়ন সহযোগিতা মন্ত্ৰী মেক্সিম প্ৰিভ'টে যুটীয়াভাৱে অধ্যক্ষতা কৰে। ড০ জয়শংকৰে কয়, যে ইউৰোপৰ সৈতে ভাৰতৰ সংযোগ সাধনৰ ক্ষেত্ৰত বেলজিয়ামে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। তেওঁ কয়, যে দ্বিপাক্ষিক অংশীদাৰিত্ব গভীৰ হোৱাৰ লগে লগে ভাৰত-ইউৰোপীয় সংঘৰ সম্পৰ্কই অধিক কৌশলগত গুৰুত্ব লাভ কৰিব। ইয়াৰ ফলত দুয়ো দেশে পৰিপূৰক বিষয়সমূহৰ ওপৰত ফলপ্ৰসূভাৱে কাম কৰিবলৈ সমৰ্থ হ'ব। শ্ৰীপ্ৰিভ'টে কয়, যে যোৱা বছৰৰ মাৰ্চত বেলজিয়ামৰ অৰ্থনৈতিক অভিযানে দুয়োখন দেশৰ মাজত পাৰস্পৰিক অৰ্থনৈতিক সম্পৰ্কৰ ক্ষেত্ৰত শক্তি আৰু গতিশীলতাকে প্ৰতিপন্ন কৰিছে। তেওঁ কয়, যে বাণিজ্য, বিনিয়োগ আৰু উদ্ভাৱনে দুয়োখন দেশক নিকট সহযোগী কৰি তোলাৰ লগতে ভৱিষ্যতৰ সহযোগিতাৰ দিশত ভেটি সুদৃঢ় কৰিছে। দুয়ো দেশৰ মাজৰ কৌশলগত আলোচনা প্ৰক্ৰিয়াক নিয়মীয়াকৈ দেশ দুখনৰ চৰকাৰৰ উচ্চ পৰ্যায়ৰ যোগাযোগৰ জৰিয়তে সমৰ্থন আগবঢ়োৱা হ'ব আৰু ইয়াৰ ফলত পাৰস্পৰিক ৰাজনৈতিক বিনিময় নিশ্চিত হ'ব। চলিত বছৰৰ শেষৰফালে দেশ দুখনৰ উচ্চ পৰ্যায়ৰ প্ৰতিনিধিৰ ভ্ৰমণে মূল বিষয়সমূহক আগবঢ়াই নিয়াৰ লগতে জনসাধাৰণৰ সুবিধা হোৱাকৈ ফলপ্ৰসূ সিদ্ধান্ত গ্ৰহণ কৰা হ'ব। উল্লেখযোগ্য যে কালি ভাৰত-বেলজিয়ামৰ

কৌশলগত আলোচনা প্ৰক্ৰিয়া শুভাৰম্ভ কৰাৰ সমান্তৰালভাৱে ভাৰত-ইউৰোপীয় সংঘৰ ব্যৱসায়িক মঞ্চই ফেডাৰেচন অৱ বেলজিয়াম এণ্টাৰপ্ৰাইজত আয়োজন কৰা অনুষ্ঠানত দুয়ো দেশৰ ব্যৱসায়িক প্ৰতিনিধিসকলে অংশগ্ৰহণ কৰে। এই অনুষ্ঠানত বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰ, বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেল, বাণিজ্য আৰু উদ্যোগ ৰাজ্য মন্ত্ৰী জিতিন প্ৰসাদো উপস্থিত থাকে।

০০০০০

ভাৰত-ইউৰোপীয় সংঘৰ মুক্ত বাণিজ্য চুক্তি, নিৰাপত্তা আৰু প্ৰতিৰক্ষা সহযোগিতা আৰু যোগাযোগ পৰিকাঠামোৰ দ্বাৰা গঢ় লৈ উঠা সহযোগিতাৰ শক্তিশালী গতি ভাৰত-ইউৰোপীয় সংঘৰ বাণিজ্য আৰু প্ৰযুক্তি পৰিষদৰ বৈঠকে অধিক আগবঢ়াই নিব বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে আস্থা প্ৰকাশ কৰিছে। ভাৰত আৰু ইউৰোপীয় সংঘৰ বাণিজ্য আৰু প্ৰযুক্তি পৰিষদৰ মাজত কালি ব্ৰাছেলছত অনুষ্ঠিত তৃতীয়খন বৈঠকৰ পাছত সংবাদ মাধ্যমৰ আগত মন্ত্ৰীগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে ভাৰত আৰু ইউৰোপীয় সংঘৰ মাজত এক স্বাভাৱিক আত্মীয়তা আছে। ভাৰত আৰু ইউৰোপীয় সংঘই সন্মিলিতভাৱে এই আস্থা গঢ়ি তুলিছে আৰু এতিয়া এই আস্থাক ব্যৱসায় আৰু প্ৰযুক্তিৰ ক্ষেত্ৰখনলৈ লৈ যাবলৈ প্ৰয়াস কৰা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয় যে ভাৰত আৰু ইউৰোপীয় সংঘৰ মাজত শীঘ্ৰেই "হৰাইজন ইউৰোপ" কাৰ্যসূচীক লৈ আলোচনা আৰম্ভ হ'ব। বৈদ্যুতিক বাহনৰ চাৰ্জিং আন্তঃগাঁথনিৰ মান সন্দৰ্ভত প্ৰথমটো উদ্ভাৱন কেন্দ্ৰ স্থাপন কৰিবলৈ বৈঠকৰ সময়ত দুয়োপক্ষই সন্মতি প্ৰকাশ কৰে বুলিও ড° জয়শংকৰে জানিবলৈ দিয়ে।

**Byte - Dr Jaishankar**

ইপিনে বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলে ভাৰত-ইউৰোপীয় সংঘৰ মুক্ত বাণিজ্য চুক্তিক ন্যায্য, সমতাপূৰ্ণ আৰু সুষম বুলি অভিহিত কৰিছে। বৈঠকৰ সময়ত হোৱা আলোচনাসমূহত আলোকপাত কৰি তেওঁ কয় যে দুয়োপক্ষই উদ্ভাৱন-চালিত, বিশ্বাসযোগ্য আৰু ভৱিষ্যতমুখী সহযোগিতাৰ দৃষ্টিভংগীৰে আগবাঢ়িছে। মন্ত্ৰীগৰাকীয়ে কয় যে এই বৈঠকে উভয় পক্ষক আলোচনাৰ মেজৰ পৰা ৰূপায়নৰ দিশলৈ আগবঢ়াত সহায় কৰিছে।

**Byte - Piyush Goyal**

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ হাৰিয়ানা, চণ্ডীগড় আৰু পঞ্জাৱ ভ্ৰমণ কৰিব। এই ভ্ৰমণকালত প্ৰধানমন্ত্ৰীয়ে হাৰিয়ানাৰ জিন্দ ৰে'লৱে ষ্টেচনত জিন্দ আৰু শোনিপতৰ মাজত চলাচল কৰিবলগীয়া দেশৰ প্ৰথমখন হাইড্ৰ'জেন ৰে'লৰ যাত্ৰাৰ শুভাৰম্ভ কৰিব। শ্ৰীমোদীয়ে জিন্দৰ একলব্য ষ্টেডিয়ামত ১৪ হাজাৰ ৭০০ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰি ৰাষ্ট্ৰৰ প্ৰতি উৎসৰ্গা কৰিব। প্ৰধানমন্ত্ৰীয়ে কালি বিয়লি চণ্ডীগড়লৈ গৈ তাত ৬ হাজাৰ ৬০০ কোটি টকাৰো অধিক ব্যয় সাপেক্ষে কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। এই প্ৰকল্পসমূহৰ ভিতৰত স্বাস্থ্যসেৱা, শিক্ষা আৰু পথ আন্তঃগাঁথনি প্ৰকল্প আছে। তেওঁ চণ্ডীগড়ত নৱনিৰ্মিত অত্যাধুনিক মাতৃ আৰু শিশু কেন্দ্ৰ তথা স্নাতকোত্তৰ চিকিৎসা শিক্ষা আৰু গৱেষণা প্ৰতিষ্ঠানত নিৰ্মিত আধুনিক স্নায়ু বিজ্ঞান কেন্দ্ৰৰ শুভাৰম্ভ কৰিব। প্ৰধানমন্ত্ৰীয়ে ইয়াৰ পাছতে পঞ্জাৱৰ জলন্ধৰত ৫ হাজাৰ ৪৭০ কোটি টকাৰো অধিক ব্যয় সাপেক্ষে ভালেমান উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। যোগাযোগ ব্যৱস্থাৰ উন্নয়ন আৰু অঞ্চলটোত অৰ্থনৈতিক বিকাশ সুনিশ্চিত কৰাৰ লক্ষ্যৰে এই প্ৰকল্পসমূহ ৰূপায়ণ কৰা হ'ব।

শ্ৰীমোদীয়ে অমৃত ভাৰত ষ্টেচন আঁচনিৰ অধীনত পুনৰ বিকশাই তোলা জলন্ধৰ কেণ্টকে ধৰি ৭৫টা ৰে’ল ষ্টেচনৰো শুভাৰম্ভ কৰিব।

ooooo

ওড়িশাৰ পুৰীত প্ৰভু জগন্নাথ আৰু তেওঁৰ দুগৰাকী সহোদৰ-সহোদৰা বলভদ্ৰ আৰু দেৱী সুভদ্ৰাৰ বিশ্ববিখ্যাত ৰথযাত্ৰাৰ আজি শুভাৰম্ভ কৰা হ’ব। এই বাৰ্ষিক উৎসৱত প্ৰভু জগন্নাথ, তেওঁৰ জ্যেষ্ঠ ভাতৃ বলভদ্ৰ আৰু ভগ্নী সুভদ্ৰাক ৰথত তুলি ৰাইজক দৰ্শন কৰোৱাৰ লগতে প্ৰভু জগন্নাথৰ মাহীয়েকৰ বাসগৃহ হিচাপে বিশ্বাস কৰা গুন্দিছা মন্দিৰলৈ লৈ যোৱা হয়। পুৰীৰ জগন্নাথ মন্দিৰত আৰম্ভ হোৱা এই ৩ কিলোমিটাৰ দৈৰ্ঘ্যৰ যাত্ৰাৰ গুন্দিছা মন্দিৰত সামৰণি পৰে। তিনিওজনা ভগৱানকে ৯ দিনৰ বাবে গুন্দিছা মন্দিৰত ৰখাৰ পাছত একেইকেইখন ৰথতে শ্ৰীমন্দিৰলৈ লৈ যোৱা হয় আৰু এই যাত্ৰাক বহুডা যাত্ৰা বুলি কোৱা হয়। পুৰীৰ শ্ৰীমন্দিৰ প্ৰশাসনে এই ৰথযাত্ৰাৰ পৰিপ্ৰেক্ষিতত বৃহৎ সংখ্যক লোকৰ সমাগমৰ প্ৰতি লক্ষ্য ৰাখি যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। জনসাধাৰণৰ সুৰক্ষাৰ বাবে কেইবাতৰপীয়া নিৰাপত্তা ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

ঝাৰখণ্ডতো প্ৰভু জগন্নাথৰ ৰথযাত্ৰা ধৰ্মীয় উৎসাহ-উদ্দীপনাৰে আয়োজন কৰা হৈছে। ৰথ যাত্ৰাৰ মূল কাৰ্যসূচী ৰাঁচীৰ ধুৰ্ৱাৰ ঐতিহাসিক জগন্নাথ মন্দিৰত অনুষ্ঠিত হ’ব। এই উপলক্ষে আজি পুৱাৰে পৰা মন্দিৰ চৌহদত উলহ-মালহ পৰিৱেশে বিৰাজ কৰিছে। মৌচিবাৰী অভিমুখে এই ৰথযাত্ৰা আজি বিয়লি ৫ বাজি ১ মিনিটত শুভাৰম্ভ কৰা হ’ব। জিলা প্ৰশাসনে ৰথযাত্ৰা সুকলমে সম্পন্ন কৰাৰ বাবে সুৰক্ষা ব্যৱস্থা কটকটীয়া কৰি তুলিছে। অঞ্চলটোত চিচিটিভিৰ জৰিয়তে নিৰীক্ষণৰ ব্যৱস্থা কৰাৰ লগতে ভালেসংখ্যক সুৰক্ষা কৰ্মী নিয়োগ কৰা হৈছে। ইপিনে হাজাৰীবাগত ইস্কনৰ উদ্যোগত আই আই টি বিশেষজ্ঞৰ সহায়ত বিশেষ প্ৰযুক্তিৰে নিৰ্মাণ কৰা এখন ৪০ ফুট দৈৰ্ঘ্যৰ ৰথত ৰথযাত্ৰা উলিওৱা হ’ব।

ooooo

ফিফা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ বিগত সংস্কৰণৰ বিজয়ী আৰ্জেণ্টিনাই এইবেলিও দ্বিতীয়টো দল হিচাপে ফাইনেলত প্ৰৱেশ কৰিছে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ আটলাণ্টা ষ্টেডিয়ামত যোৱানিশা অনুষ্ঠিত প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমিফাইনেলত আৰ্জেণ্টিনাই ইংলেণ্ডক ২-১ গ’লত পৰাস্ত কৰে। প্ৰথমাৰ্ধ গ’লবিহীনভাৱে সমাপ্ত হোৱা খেলখনৰ ৫৫ মিনিটত ইংলেণ্ডৰ হৈ এণ্টনি গৰ্ডনে প্ৰথম তথা একমাত্ৰ গ'লটো দিয়ে। খেলৰ ৮৫ মিনিটত আৰ্জেণ্টিনাৰ এনজো ফাৰ্নাণ্ডেজে দলৰ হৈ প্ৰথমটো গ'লেৰে ইংলেণ্ডৰ সৈতে সমতা স্থাপন কৰে আৰু ৯২ মিনিটত লাউটাৰো মাৰ্টিনেজে বিজয়সূচক গ’লটো দিয়ে।

প্ৰতিযোগিতাৰ ফাইনেল খেলখন অহা ১৯ জুলাইত স্পেইন আৰু আৰ্জেণ্টিনাৰ মাজত মিয়ামি ষ্টেডিয়ামত খেলোৱা হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ২ বাজি ৩০ মিনিটত আৰম্ভ হ'ব।

ooooo

ভাৰত আজি ইংলেণ্ডৰ বিৰুদ্ধে চলি থকা তিনিখনীয়া এদিনীয়া আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেলত অৱতীৰ্ণ হ'ব। খেলখন কাৰ্ডিফৰ ছফিয়া গাৰ্ডেনত ভাৰতীয় সময় অনুসৰি বিয়লি চাৰে ৫ বজাত আৰম্ভ হ'ব।

ইয়াৰ পূৰ্বে মঙলবাৰে বাৰ্মিংহামৰ এজ্‌জবাষ্টনত অনুষ্ঠিত শৃংখলাৰ প্ৰথমখন খেলত ভাৰতে ঘৰুৱা দলটোক ৬ উইকেটত পৰাস্ত কৰিছিল। দেওবাৰে লণ্ডনৰ লৰ্ডছ ক্ৰিকেট খেলপথাৰত শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেল খেলোৱা হ'ব।

ooooo

সমাপ্ত